দেশ

দিল্লীত AAP যুৱ মৰ্চাৰ জিলা সভাপতিৰ কাৰ্যালয়ত দুৰ্বৃত্তৰ গুলীচালনা

দিল্লীৰ শ্বাহদৰাত আম আদমী পাৰ্টী চমুকৈ আপৰ যুৱ মৰ্চাৰ জিলা সভাপতি অভিষেক ধিংগানৰ কাৰ্যালয়লৈ লক্ষ্য কৰি দুৰ্বৃত্তই ৬টাকৈ গুলী চলায়।

প্ৰকাশ: ২০ নৱেম্বৰ ২০২৬, পুৱা ১১:৪২



(NewzNow)

নতুন দিল্লী: ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ শ্বাহদৰাত আম আদমী পাৰ্টী চমুকৈ আপৰ যুৱ মৰ্চাৰ এজন নেতাৰ কাৰ্যালয়ত গুলীচালনাৰ এক ঘটনা সংঘটিত হৈছে। অচিনাক্ত দুৰ্বৃত্তই আপ যুৱ মৰ্চাৰ জিলা সভাপতি অভিষেক ধিংগানৰ কাৰ্যালয়লৈ লক্ষ্য কৰি ৬টাকৈ গুলী চলায়।

ঘটনা সন্দৰ্ভত অভিষেক ধিংগানে জানিবলৈ দিয়ে যে তেওঁলোক কাৰ্যালয়ৰ ভিতৰত বহি থকাৰ সময়তে এখন স্কুটীৰে দুজন যুৱক আহি উপস্থিত হয়। যুৱক দুজনৰ এজনে হেলমেট পৰিধান কৰি আহিছিল যদিও আনজনে হেলমেট পিন্ধা নাছিল।

ধিংগানে কয়, "তেওঁলোকে প্ৰৱেশদ্বাৰ আৰু বাহিৰৰ কাঁচলৈ লক্ষ্য কৰি জধেমধে গুলীচালনা কৰে। ভিতৰতো গুলী আহি লাগে। এই ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ আতংকৰ সৃষ্টি কৰে।"

© 2026 NewzNow

ঘটনাটো সংঘটিত কৰিয়েই দুর্বৃত্ত দুটা ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ইতিমধ্যে এই ঘটনাৰ দৃশ্য পোহৰলৈ আহিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4573/delhi-shahdara-aap-youth-leader-office-firing